জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

**নং ঃ ৬৯/২০২১**

# একে দিনাই ১ লাখৰো অধিক খিলঞ্জীয়া পৰিয়ালক ভূমিৰ পট্টা প্ৰদানৰ পদক্ষেপক প্ৰাক্তন নিৰ্বাচন আয়ুক্ত হৰি শংকৰ ব্ৰহ্মৰ প্ৰশংসা

## মুখ্যমন্ত্ৰীলৈ পত্ৰ লিখি ইয়াৰ বাবে অভিনন্দন জনালে প্ৰাক্তন নিৰ্বাচন আয়ুক্ত গৰাকীয়ে

**দিছপুৰ, ২৯ জানুৱাৰী ঃ** যোৱা ২৩ জানুৱাৰীত শিৱসাগৰৰ ঐতিহাসিক জেৰেঙা পথাৰত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যখনৰ ১ লাখৰো অধিক ভূমিহীন থলুৱা পৰিয়ালক একেলগে মাটিৰ পট্টা প্ৰদান কৰা পদক্ষেপক এক ঐতিহাসিক পদক্ষেপ হিচাপে আখ্যা দিছে দেশৰ প্ৰাক্তন নিৰ্বাচন আয়ুক্ত তথা খিলঞ্জীয়াৰ ভূমি সুৰক্ষা সমিতিৰ প্ৰাক্তন অধ্যক্ষ হৰি শংকৰ ব্ৰহ্মই। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাললৈ ই-মেইলৰ জৰিয়তে প্ৰদান কৰা এখন পত্ৰত প্ৰাক্তন নিৰ্বাচন আয়ুক্ত গৰাকীয়ে ৰাজ্য চৰকাৰৰ এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে মুখ্যমন্ত্ৰীক এই শক্তিশালী পদক্ষেপ লোৱাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। প্ৰাক্তন নিৰ্বাচন আয়ুক্তগৰাকীয়ে এই পদক্ষেপে খিলঞ্জীয়াৰ ভূমিৰ ওপৰত থকা অধিকাৰ সাব্যস্তকৰণত বিশেষভাৱে সহায় কৰিব বুলি কয়। প্ৰাক্তন নিৰ্বাচন আয়ুক্তগৰাকীয়ে এই পত্ৰৰ জৰিয়তে ৰাজ্য চৰকাৰক ভূমিৰ জৰীপকে ধৰি অন্যান্য কিছু কাৰ্য ব্যৱস্থা লোৱাৰ বাবেও আহ্বান জনায়।

উল্লেখ্য যে যোৱা ২৩ জানুৱাৰীত ৰাজ্য চৰকাৰে দেশৰ প্ৰধানমন্ত্ৰীৰ জৰিয়তে ঐতিহাসিক জেৰেঙা পথাৰত ১.০৬ লাখ খিলঞ্জীয়া ভূমিহীন পৰিয়ালক মাটিৰ পট্টা আৰু অনুমোদন পত্ৰ প্ৰদান কৰিছে। জাতি, মাটি, কৃষ্টি, সংস্কৃতি ৰক্ষাৰ প্ৰতিশ্ৰুতিৰে শাসনাধিষ্ঠিত বৰ্তমানৰ ৰাজ্য চৰকাৰে বিগত চাৰে চাৰি বছৰীয়া কাৰ্যকালত ৰাজ্যখনৰ ৩ লাখ ৩৪ হাজৰো অধিক খিলঞ্জীয়া পৰিয়ালক ভূমি পট্টা তথা অনুমোদন পত্ৰ প্ৰদানেৰে এক যুগান্তকাৰী তথা শক্তিশালী পদক্ষেপৰ সূচনা কৰিছে।

**বঃভাঃ**

**২৯/০১/২০২১**